# ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

মাহভিত্তিক শৈক্ষিক দিনপঞ্জী

## ফেব্ৰুৱাৰী ২০২৪

| সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ | শনি | ৰবি |
|---|---|---|---|---|---|---|
| | | | ১ শ্ৰেণী দিন | ২ শ্ৰেণী দিন | ৩ শ্ৰেণী দিন | ৪ বন্ধ দিন |
| ৫ শ্ৰেণী দিন | ৬ শ্ৰেণী দিন | ৭ শ্ৰেণী দিন | ৮ শ্ৰেণী দিন | ৯ শ্ৰেণী দিন | ১০ শ্ৰেণী দিন | ১১ বন্ধ দিন |
| ১২ শ্ৰেণী দিন | ১৩ শ্ৰেণী দিন | ১৪ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (শ্ৰীশ্ৰী সৰস্বতী পূজা) | ১৫ শ্ৰেণী দিন | ১৬ শ্ৰেণী দিন | ১৭ শ্ৰেণী দিন | ১৮ বন্ধ দিন |
| ১৯ শ্ৰেণী দিন | ২০ মান নিৰূপণৰ দিন | ২১ মান নিৰূপণৰ দিন আৰু উদ্‌যাপন দিন (আন্তৰ্জাতিক মাতৃভাষা দিৱস) | ২২ মান নিৰূপণৰ দিন | ২৩ মান নিৰূপণৰ দিন | ২৪ বন্ধ দিন (বীৰ চিলাৰায় দিৱস) | ২৫ বন্ধ দিন |
| ২৬ মান নিৰূপণৰ দিন | ২৭ মান নিৰূপণৰ দিন | ২৮ মান নিৰূপণৰ দিন আৰু উদ্‌যাপন দিন (ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস) | ২৯ মান নিৰূপণৰ দিন | | | |

## শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

### ক শ্ৰেণীৰপৰা পঞ্চম শ্ৰেণী

| ক শ্ৰেণী | বিষয় | প্ৰথম | দ্বিতীয় | তৃতীয় | চতুৰ্থ | পঞ্চম |
|---|---|---|---|---|---|---|
| অকণিৰ কৰ্মপুথি (পৃষ্ঠা: ৬৯-৭১) Beginners' English (Page: 41-44) | অসমীয়া (ভাষা-১) | জোনলৈ যাওঁ ব'লা | ❑ ডাক-ঘৰ ❑ ঋতু আহে ঋতু যায় | ❑ কামৰ সৰু-বৰ নাই ❑ মৰমৰ আই | গছে যদি খোজ কাঢ়ে | সৰু ছোৱালী আৰু পখী |
| | গণিত | টকা-পইচা | সময় | ❑ তথ্য সংগ্ৰহ ❑ টকা আৰু পইচা | সময় | জোখ মাখৰ প্ৰয়োগ |
| | ইংৰাজী (ভাষা-২) | The Greedy Dog | Let's Celebrate | The Bundle of Sticks | A Visit to Sivasagar (R) | Hello Computer ! (R) |
| | পৰিৱেশ অধ্যয়ন | ——— | ——— | আমাৰ গাওঁ | আমাৰ অধিকাৰ | আমাৰ চুবুৰীয়া ৰাজ্যসমূহ |

ক শ্ৰেণীৰপৰা পঞ্চম শ্ৰেণীলৈ নিম্নলিখিত ক্ৰিয়াকলাপসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী মাহটোৰ পাঠৰ লগত সংগতি ৰাখি অনুশীলন কৰাব।

### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

❑ এটা শাৰীত (ওখৰপৰা চাপৰলৈ) ৰাজহাড় পোন কৰি থিয় হ'ব।

❑ লঘু খেল যেনে- ভেকুলী জাঁপ, ৰুমাল খেল, মেকুৰী-নিগনি খেল আদি খেলিব।

❑ খোৱাৰ আগত আৰু খোৱাৰ পিছত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব।

### কলা আৰু শিল্পশিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

❑ কেলেণ্ডাৰ বা থাৰ্মকলৰ সহায়ত ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ধৰণৰ প্ৰকল্প প্ৰস্তুত কৰিব।

❑ বিভিন্ন ৰঙৰ গুড়িৰ সহায়ত আলপনা প্ৰস্তুত কৰিব।

❑ প্ৰাৰ্থনা, লোকগীত, স্থানীয় গীত আদি গাবলৈ অভ্যাস কৰিব।

## উদ্‌যাপন দিৱস আৰু অন্যান্য কাৰ্যাৱলী

২০-২৯ ফেব্ৰুৱাৰীঃ দ্বিতীয় সামগ্ৰিক মান নিৰূপণ (অক্টোবৰৰপৰা ফেব্ৰুৱাৰী মাহলৈ নিৰ্ধাৰণ কৰা পাঠ্যক্ৰম অন্তৰ্ভুক্ত হ'ব)।

❑ পঞ্চম আৰু অষ্টম শ্ৰেণীৰ বাবে দ্বিতীয় সামগ্ৰিক মান নিৰূপণৰ পৰিৱৰ্তে বছৰেকীয়া পৰীক্ষা অনুষ্ঠিত কৰিব। এই পৰীক্ষাত গোটেই শৈক্ষিক বৰ্ষৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত হ'ব।

২১ ফেব্ৰুৱাৰীঃ ছাত্ৰ-ছাত্ৰীৰ মনত মাতৃভাষাৰ প্ৰতি আগ্ৰহ আৰু অনুৰাগ বৃদ্ধি কৰিব পৰা (যেনে- পদ্য, সাধু, গল্প লিখা আৰু পঢ়া) অনুষ্ঠান অনুষ্ঠিত কৰিব।

২৮ ফেব্ৰুৱাৰীঃ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে বিদ্যালয়ত বিজ্ঞান প্ৰদৰ্শনীৰ আয়োজন কৰিব। ছাত্ৰ-ছাত্ৰীৰ বিজ্ঞান মনস্কতাৰ বিকাশ ঘটাবলৈ বিভিন্ন ধৰণৰ কাৰ্যকলাপত নিয়োজিত কৰাব।



*এই মাহৰ উদ্‌যাপন দিৱস যিহেতু সামগ্ৰিক মান নিৰূপণৰ সময়সূচীৰ সৈতে অন্তৰ্ভুক্ত হৈ আছে, শিক্ষকে প্ৰাতঃসভাত অতি চমুকৈ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰিব। বাকী দিৱসসমূহ পূৰ্বৰ নিৰ্দেশনা অনুযায়ী পালন কৰিব।*

| | | |
|---|---|---|
| সামগ্ৰিক মান নিৰূপণৰ দিন | ঃ | ৮ |
| প্ৰকৃত শ্ৰেণী দিন | ঃ | ১৬ |
| ৰবিবাৰ | ঃ | ৪ |
| আন বন্ধৰ দিন | ঃ | ১ |
| মাহটোৰ মুঠ দিন | ঃ | ২৯ |

(মাহটোৰ উদ্‌যাপন দিনৰ সংখ্যা ঃ ২)

## শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

### ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণী

| বিষয় | ষষ্ঠ | সপ্তম | অষ্টম |
|---|---|---|---|
| অসমীয়া (ভাষা-১) | ❑ স্কাউট আৰু গাইড (পুনঃ) ❑ মহো-হো গীত | ❑ বিদ্যা (পুনঃ) ❑ গড়গাঁও | ❑ সংস্কৃতি আৰু আমাৰ জীৱন (পুনঃ) ❑ শিশু-লীলা |
| গণিত | ব্যৱহাৰিক জ্যামিতি | গোটা আকৃতিৰ দৃশ্যায়ন | সংখ্যাৰ সৈতে ধেমালি |
| ইংৰাজী (ভাষা-২) | I Love My Country | Women in Space(R) | Chandraprabha Saikiani (R) |
| বিজ্ঞান | ❑ আমাৰ চাৰিওফালে থকা বায়ু ❑ আৱৰ্জনা সৃষ্টি আৰু নিষ্কাসন | ❑ অৰণ্য ঃ আমাৰ জীৱন ৰেখা ❑ বৰ্জিত পানীৰ কথা | ❑ তৰা আৰু সৌৰজগত ❑ বায়ু আৰু পানীৰ প্ৰদূষণ |
| সমাজ বিজ্ঞান | স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থা (ৰা.বি) | ❑ ভাৰতৰ জলবায়ু, প্ৰাকৃতিক উদ্ভিদ, কৃষি আৰু জনসংখ্যা (ভূ) ❑ উত্তৰ-পূব ভাৰত (পুনঃ) | ——— |
| ইতিহাস আৰু ৰাজনীতি বিজ্ঞান | ——— | ——— | বৈ যোৱা পাঠৰ পুনৰালোচনা |
| ভূগোল আৰু অৰ্থনীতি বিজ্ঞান | ——— | ——— | বৈ যোৱা পাঠৰ পুনৰালোচনা |
| হিন্দী (ভাষা-৩) | खेल और सेहत | अमृत वाणी | मैं हूँ महाबाहु ब्रह्मपुत्र |

ষষ্ঠৰপৰা অষ্টম শ্ৰেণীলৈ নিম্নলিখিত ক্ৰিয়াকলাপসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী মাহটোৰ পাঠৰ লগত সংগতি ৰাখি অনুশীলন কৰাব।

### কৰ্মশিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

**কাগজৰ কামঃ** ফুল, বিচনী, বিভিন্ন জ্যামিতিক আকাৰ যেনে- ত্ৰিভুজ, চতুৰ্ভুজ ঘনক, বৰ্গ, চিলা, ক'লাজ আদি প্ৰস্তুত কৰিবলৈ শিকিব।

### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

❑ সম্পূৰ্ণ মাৰ্চ-পাষ্ট কৰিব।

❑ বল পাচিং খেলিব।

❑ খোৱাৰ আগত আৰু খোৱাৰ পিছত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব।

### কলাশিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

মূল্যবোধ সম্বলিত কিছুমান নাটক, ৰচনা, অভিনয় আৰু বাটৰ নাট অনুষ্ঠিত কৰিব। পাঠৰ লগত সংগতি ৰাখি অন্যান্য চৰিত্ৰৰ লগতে বীৰবল, লাচিত বৰফুকন আদিৰ চৰিত্ৰাভিনয়ত গুৰুত্ব দিব।








২০২৪ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ অন্যান্য বন্ধসমূহ কেলেণ্ডাৰত প্ৰতিফলিত কৰা হৈছে যদিও সেই বৰ্ষৰ চৰকাৰী বন্ধৰ অধিসূচনা অনুসৰিহে এই বন্ধসমূহ প্ৰযোজ্য হ'ব।

# ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

## মাহভিত্তিক শৈক্ষিক দিনপঞ্জী

## মাৰ্চ ২০২৪

| সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ | শনি | ৰবি |
|---|---|---|---|---|---|---|
| | | | | ১ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ২ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ৩ বন্ধ দিন |
| ৪ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন উদ্‌যাপন দিন (শিশু সুৰক্ষা দিৱস) | ৫ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ৬ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ৭ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ৮ পঞ্চম আৰু অষ্টম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাৰ ফলাফল ঘোষণাৰ দিন | ৯ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ১০ বন্ধ দিন |
| ১১ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ১২ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ১৩ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ১৪ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ১৫ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ১৬ ফলাফল ঘোষণাৰ দিন (অন্যান্য শ্ৰেণী) | ১৭ বন্ধ দিন |
| ১৮ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নামভৰ্ত্তি, পাঠ্যপুথি বিতৰণ | ১৯ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নামভৰ্ত্তি, পাঠ্যপুথি বিতৰণ | ২০ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নামভৰ্ত্তি, পাঠ্যপুথি বিতৰণ | ২১ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নামভৰ্ত্তি, পাঠ্যপুথি বিতৰণ | ২২ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নামভৰ্ত্তি, পাঠ্যপুথি বিতৰণ উদ্‌যাপন দিন (বিশ্ব জল দিৱস) | ২৩ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নামভৰ্ত্তি, পাঠ্যপুথি বিতৰণ | ২৪ বন্ধ দিন |
| ২৫ বন্ধ দিন (দৌল যাত্ৰা) | ২৬ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নামভৰ্ত্তি, পাঠ্যপুথি বিতৰণ | ২৭ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নামভৰ্ত্তি, পাঠ্যপুথি বিতৰণ | ২৮ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নামভৰ্ত্তি, পাঠ্যপুথি বিতৰণ | ২৯ বন্ধ দিন (গুড্ ফ্ৰাইডে) | ৩০ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনা, নামভৰ্ত্তি, পাঠ্যপুথি বিতৰণ | ৩১ বন্ধ দিন |

### মাৰ্চ মাহত কৰিবলগীয়া অন্যান্য কাৰ্যাৱলী

☐ এই মাহৰ প্ৰথম সপ্তাহৰ ভিতৰত পঞ্চম আৰু অষ্টম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাৰ ফলাফল ঘোষনা কৰিব। যিসকল ছাত্ৰ-ছাত্ৰীয়ে আকাংক্ষিত ফলাফল প্ৰদৰ্শনত সফল হ'ব পৰা নাই, তেঁওলোকৰ বাবে যথোপযুক্ত পৰিপূৰক শিক্ষণৰ ব্যৱস্থা কৰি দুমাহৰ ভিতৰত পুনৰ পৰীক্ষাত বহাৰ সুযোগ দিব (এই ক্ষেত্ৰত যথাসময়ত ঘোষিত হোৱা চৰকাৰী নিৰ্দেশনা প্ৰযোজ্য হ'ব)।

☐ দ্বিতীয় সপ্তাহত অন্যান্য শ্ৰেণীৰ খতিয়ান প্ৰস্তুত আৰু ফলাফল ঘোষণা।

☐ পৰিপূৰক শিক্ষণ (পঞ্চম আৰু অষ্টম শ্ৰেণী)।

☐ নতুন শিশুৰ নামভৰ্তিকৰণ।

☐ শ্ৰেণী অনুসৰি ৰেজিষ্টাৰত ছাত্ৰ-ছাত্ৰীৰ নাম লিখা।

☐ বিদ্যালয়ৰ সামগ্ৰিক বিকাশৰ বাবে পৰিকল্পনা।

### মান নিৰূপণত বিশেষভাৱে সক্ষম শিশুৰ বাবে ল'বলগীয়া ব্যৱস্থাৱলী

**বিশেষভাৱে সক্ষম শিশুৰ মান নিৰূপণৰ ক্ষেত্ৰত ল'বলগীয়া কিছুমান নিৰ্দেশনা তলত উল্লেখ কৰা হ'ল-**

১) প্ৰয়োজন অনুসৰি এইসকল ছাত্ৰ-ছাত্ৰীক অতিৰিক্ত সময় দিব। অৱসাদ দূৰ কৰাৰ বাবে এই সময়খিনিৰ ভিতৰতে জিৰণিৰ অনুমতি দিব।

২) ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত প্ৰয়োজন অনুসৰি বিভিন্ন সজুঁলি ব্যৱহাৰ কৰিবলৈ দিব, উদাহৰণস্বৰূপে— কেলকুলেটৰ, এবেকাচ, টেইলৰ ফ্ৰেইমৰ যোগাযোগ ব'ৰ্ড, হেলনীয়া ব'ৰ্ড, টেপ ৰেকৰ্ডাৰ, পেইন গ্ৰিপচ্ অৰ্থাৎ কলম ধৰা সঁজুলি ইত্যাদি।

৩) শ্ৰৱণ বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত ভাষা আহৰণৰ অসুবিধা থকাৰ বাবে মান নিৰূপণ পদ্ধতি ৰচনাভিত্তিক হোৱাৰ পৰিৱৰ্তে বস্তুনিষ্ঠ হোৱা উচিত। প্ৰশ্নসমূহৰ ভাষা সহজ-সৰল হোৱাটো নিতান্তই প্ৰয়োজনীয়।

৪) দৃষ্টি শক্তিৰ অসুবিধা থকা আৰু দৃষ্টিহীনসকলৰ বাবে প্ৰশ্নকাকতসমূহ প্ৰয়োজন অনুসৰি ব্ৰেইল/ ডাঙৰ ছপা আখৰৰ হ'ব লাগে।

৫) যিমানদূৰ সম্ভৱ বিৰাম চিহ্ন, বানান আৰু ব্যাকৰণৰ ভুলৰ বাবে নম্বৰ কমকৈ দিয়াৰপৰা বিৰত থাকিব লাগে।

৬) পৰীক্ষাৰ সময়ত দিয়া মৌখিক নিৰ্দেশনাসমূহ ব'ৰ্ডত লিখি দিব।

৭) প্ৰয়োজন হ'লে এজন লিপিকাৰক নিয়োগৰ ব্যৱস্থা কৰিব।

৮) মগজুৰ পক্ষাঘাত থকা শিশুসকলে লিখাৰ সময়ত যথেষ্ট হেঁচি লিখে। সেয়েহে তেনে শিশুসকলক ব্যৱহাৰ কৰিবলৈ দিয়া উত্তৰবহী/কাগজ যথেষ্ট ডাঠ হোৱা উচিত।

৯) মানসিক বাধাগ্ৰস্ত শিশুৰ মান নিৰূপণৰ বাবে প্ৰস্তুত কৰা প্ৰশ্নসমূহৰ জটিলতা শিশুৰ বোধগম্যতাৰ ওপৰত ভিত্তি কৰিহে নিৰ্ণয় কৰিব লাগে।

### উদ্‌যাপন দিৱস আৰু অন্যান্য কাৰ্যাৱলী

**৪ মাৰ্চঃ**

শিক্ষকে শিশুৰ সুৰক্ষা আৰু সজাগতা সন্দৰ্ভত চমু আলোচনা কৰিব।

**২২ মাৰ্চঃ**

পানীৰ সংৰক্ষণ সন্দৰ্ভত শিক্ষকে জল দিৱসৰ তাৎপৰ্য চমুকৈ ব্যাখ্যা কৰিব। ছাত্ৰ-ছাত্ৰীয়ে প্ৰস্তুত কৰা শ্ল'গান, প'ষ্টাৰ, ছবি আদি বিদ্যালয় চৌহদৰ উপৰি অঞ্চলৰ সুবিধাজনক ঠাইত লগাব।




| | | |
|---|---|---|
| খতিয়ান প্ৰস্তুতিৰ দিন | ঃ | ১২ |
| পৰিকল্পনাৰ দিন | ঃ | ১০ |
| ফলাফল ঘোষণাৰ দিন | ঃ | ২ |
| ৰবিবাৰ | ঃ | ৫ |
| আন বন্ধৰ দিন | ঃ | ২ |
| মাহটোৰ মুঠ দিন | ঃ | ৩১ |

(মাহটোৰ উদ্‌যাপন দিনৰ সংখ্যা ঃ ২)



### মাৰ্চ মাহত কৰিবলগীয়া অন্যান্য কাৰ্যাৱলী

☐ পাঠ পৰিকল্পনা।

☐ বিনামূলীয়া পাঠ্যপুথিৰ যোগান আৰু বিতৰণ।

☐ স্থানীয় কৰ্তৃপক্ষ, সমাজ, পিতৃ-মাতৃ, অভিভাৱক, মাতৃগোট, শিক্ষক, ছাত্ৰ-ছাত্ৰী আদিৰ সহযোগত বিদ্যালয় প্ৰাঙ্গণ, শৌচালয়, মধ্যাহ্ন ভোজনৰ ৰান্ধনিশাল, পানী জমা ৰখা পাত্ৰৰ পৰিষ্কাৰকৰণ।

☐ বিদ্যালয়লৈ স্বেচ্ছামূলকভাৱে (আৰ্থিক/অন্যান্য) অৱদান যোগাবলৈ স্থানীয় সমাজক উৎসাহিত কৰিব আৰু তেনে অৱদানসমূহ নিখুতভাৱে লিপিবদ্ধ কৰি ৰাখিব।

☐ সমাজৰ বিশেষ পাৰদৰ্শী ব্যক্তি, যেনে- কৃষক, পশুপালক, মৎস্যপালক, বাৰৈ, শিপিনী, পৰিৱেশবিদ, সংগীতশিল্পী, খাদ্যপ্ৰস্তুতকাৰী, লোকশিল্পীসকলক বিদ্যালয়লৈ আমন্ত্ৰন কৰি আনিব। ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ উপস্থিতিত এইসকল ব্যক্তিৰ পাৰদৰ্শিতাৰ ওপৰত আলোকপাত কৰি সকলোকে উৎসাহিত কৰিব।

### মান নিৰূপণত গ্ৰেডৰ ব্যৱহাৰ

যদিও অবিৰত আৰু সামগ্ৰিক মূল্যায়ন ব্যৱস্থাত নম্বৰ/গ্ৰেডৰ ওপৰত অধিক গুৰুত্ব দিয়া উচিত নহয়, তথাপি আমাৰ ৰাজ্যত মান নিৰূপণ পদ্ধতিৰ সম্পূৰ্ণ পৰিৱৰ্তন নোহোৱালৈকে শিক্ষকৰ সুবিধাৰ্থে সামান্য পৰিৱৰ্তন কৰি আগৰ বছৰৰ দৰে এইবছৰো গ্ৰেড দিয়াৰ ব্যৱস্থা কৰা হৈছে। পূৰ্বৰ সাতটা গ্ৰেডৰ পৰিৱৰ্তে ২০২২-২৩ শিক্ষাবৰ্ষৰপৰা পাঁচটা গ্ৰেড ব্যৱহাৰ কৰা হৈছে। প্ৰাথমিক পৰ্যায়ত তলত দিয়া ধৰণে গ্ৰেড ব্যৱহাৰ কৰিব।

**(ক) বিদ্যায়তনিক দিশৰ বাবে**

| গ্ৰেডৰ স্তৰ | গ্ৰেডৰ মন্তব্য | গ্ৰেডৰ শতাংশ |
|---|---|---|
| গ্ৰেড A+ | অতি উত্তম | (৯১-১০০%) |
| গ্ৰেড A | উত্তম | (৮১-৯০%) |
| গ্ৰেড B | বৰ ভাল | (৬১-৮০%) |
| গ্ৰেড C | ভাল | (৪১-৬০%) |
| গ্ৰেড D | অধিক বিকাশৰ প্ৰয়োজন আছে | ৪০% বা ইয়াৰ তলত |

গ্ৰেড নিৰ্ণয় ঃ $\frac{\text{বিষয়ভিত্তিক পোৱা মুঠ নম্বৰ}}{\text{বিষয়ভিত্তিক সৰ্বমুঠ নম্বৰ}} \times ১০০$

**(খ) ব্যক্তিগত-সামাজিক গুণৰাজি**

শিক্ষকে এই সম্পৰ্কে গঠনাত্মক মন্তব্য দিয়া উচিত। যদি ছাত্ৰ/ছাত্ৰীগৰাকী কোনো দিশত দুৰ্বল আৰু তেওঁৰ অধিক বিকাশৰ প্ৰয়োজন আছে, তেন্তে 'তেওঁ এই দিশত পিছপৰা' বুলি কোৱাতকৈ 'এই দিশত অধিক যত্নৰ প্ৰয়োজন আছে' বুলি উল্লেখ কৰা উচিত।

২০২৪ বৰ্ষৰ মাৰ্চ মাহৰ অন্যান্য বন্ধসমূহ কেলেণ্ডাৰত প্ৰতিফলিত কৰা হৈছে যদিও সেই বৰ্ষৰ চৰকাৰী বন্ধৰ অধিসূচনা অনুসৰিহে এই বন্ধসমূহ প্ৰযোজ্য হ'ব ।